# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 20-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*
**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাৰাণসীত ২৩ টা বহুমুখী উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা আৰু কিছু প্ৰকল্প মুকলি কৰে।

২। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডং মনসুখ মন্দাভিয়াই আজি কৈছে যে **খেলো ইণ্ডিয়া অস্মিতা মহিলা লীগে** ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰা মহিলা খেলুৱৈৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰিছে।

৩। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৯৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

৪। মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকা মুখামুখি হব। ***আৰু***

৫। হকীত ভাৰতৰ পুৰুষৰ কণিষ্ঠ দলে মালয়েছিয়াত অনুষ্ঠিত জোহৰ কাপ প্ৰতিযোগিতাত আজি গ্ৰুপ পৰ্যায়ৰ এখন খেলত গ্ৰেট ব্ৰিটেইনক ৬-৪ গলত পৰাস্ত কৰে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেঁওৰ সংসদীয় সমষ্টি বাৰাণসীত হোৱা ছহেজাৰ ৭০০ কোটি টকাৰ ২৩ টা বহুমুখী উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কিছুসংখ্যক প্ৰকল্প মুকলিও কৰে। সংযোগ ব্যৱস্থা উন্নত কৰিবলৈ তেওঁৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক শক্তিশালী কৰি শ্ৰীমোদীয়ে উত্তৰ প্ৰদেশৰ চৰ্চৰা বিমানবন্দৰ, চত্তিশগড়ৰ অম্বিকাপুৰত মা মহামায়া বিমানবন্দৰ আৰু মধ্য প্ৰদেশৰ ৰেৱা বিমান বন্দৰৰ নতুন আগমন প্ৰস্থান ভৱন মুকলি কৰে। এই বিমান বন্দৰসমূহত এতিয়া বাৰ্ষিকভাৱে ২ কোটি ৩০ লাখতকৈও অধিক যাত্ৰী আহ-যাহ কৰিব পাৰিব। এই বিমানবন্দৰসমূহৰ শৈলীসমূহ সংশ্লিষ্ট অঞ্চলৰ ঐতিহ্যময় কৃৰ্তিচিহ্নসমূহৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। তদুপৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বাৰাণসীত লাল বাহাদুৰ শাস্ত্ৰী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ৰানৱেৰ সম্প্ৰসাৰণ আৰু নতুন আগমন-প্ৰস্থান ভৱনৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে পশ্চিমবংগৰ বাগদোগ্ৰা বিমানবন্দৰ, বিহাৰৰ দাৰভাঙ্গা বিমানবন্দৰ আৰু উত্তৰ প্ৰদেশৰ আগ্ৰা বিমান বন্দৰত নতুন অসামৰিক ভৱনৰ আধাৰশিলা স্থাপন কৰে। দেশত উচ্চ মানসম্পন্ন ক্ৰীড়া আন্তঃগাথনি নিৰ্মাণ কৰাৰ তেঁওৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে স্মাৰ্ট চিটি অভিযান তথা খেলো ইণ্ডিয়া আঁচনিৰ অধীনত বাৰাণসী স্পোৰ্টছ কমপ্লেক্স পুনৰ উন্নয়নৰ দ্বিতীয় তথা তৃতীয় পৰ্যায় মুকলি কৰে। এই প্ৰকল্পৰ জৰিয়তে ৰাষ্ট্ৰীয় উৎকৰ্ষতা কেন্দ্ৰ, খেলুৱৈ আৱাস, ক্ৰীড়া বিজ্ঞান কেন্দ্ৰ, বিভিন্ন ক্ৰীড়াৰ অনুশীলন ক্ষেত্ৰ, ইন্দোৰ শ্বুটিং ৰেঞ্জ তথা অন্যান্য শেহতীয়া সা-সুবিধাযুক্ত ক্ৰীড়া আন্তঃগাথনি নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। তেওঁ লগতে লালপুৰৰ ড০ ভীমৰাও আম্বেদকাৰ স্পোৰ্টছ ষ্টেডিয়ামত

দৰ্শকৰ বহাৰ মুকলি বিথিকা তথা এশখন বিচনাযুক্ত খেলুৱৈ আৱাস মুকলি কৰে। শ্ৰীমোদীয়ে সাৰনাথৰ বৌদ্ধ ধৰ্মৰ সৈতে সম্পৰ্ক থকা স্থানসমূহত পৰ্যটন উন্নয়নমূলক কাম-কাজো মুকলি কৰে। তেওঁ বানাসুৰ মন্দিৰ আৰু গুৰুধাম মন্দিৰত পৰ্যটন উন্নয়নমূলক কাম-কাজ তথা কেইবাখনো উদ্যানৰ সৌন্দৰ্য বৰ্ধন আৰু পুনৰ উন্নয়নৰ দৰে বিভিন্ন পদক্ষেপ মুকলি কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথো অনুষ্ঠানত উপস্থিত থাকে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি উত্তৰ প্ৰদেশৰ বাৰাণসীত আৰ জে শংকৰা চকু চিকিৎসালয় উদ্বোধন কৰে। তামিলনাডুৰ কাঞ্চি কামাকোটি পীঠমৰ শ্ৰীশংকৰ বিজয়েন্দ্ৰ সৰস্বতীৰ উপস্থিতিত চিকিৎসালয়খন উদ্বোধন কৰা হয়। চিকিৎসালয়খন উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

*ঃঃ বাইট ঃঃ*

দেশৰ আগশাৰীৰ চকুৰ চিকিৎসা সেৱা প্ৰদান কৰা শংকৰ নেত্ৰালয়াই বিনিয়োগকাৰী ঝুনঝুনৱালা পৰিয়াল আৰু আমেৰিকাৰ শংকৰা আই ফাউণ্ডেছনৰ সহযোগত এই চিকিৎসালয়খন স্থাপন কৰিছে। বাৰাণসীৰ এই চিকিৎসালয়খন দেশৰ ভিতৰতে শংকৰ নেত্ৰালয়ৰ চতুৰ্দশ চিকিৎসালয়। ইয়াত প্ৰতিবছৰে ৩০ হাজাৰৰো অধিক দৰিদ্ৰ ৰোগীৰ অস্ত্ৰোপচাৰ কৰিব পৰা যাব। অত্যাধুনিক সা-সুবিধা  থকা এই চিকিৎসালয়খন ১১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ইয়াত ৯ টা অপাৰেছন থিয়েটাৰৰ লগতে অন্যান্য প্ৰয়োজনীয় সা-সুবিধা থাকিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰত দেশৰ স্বাস্থ্যখণ্ডৰ উল্লেখযোগ্য পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰে। দেশৰ স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ বাবে অহা ৫ বছৰত চৰকাৰে আৰু ৭৫ হাজাৰ চিকিৎসা আসন নতুনকৈ সংযোজন কৰিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। যোৱা ১০ বছৰত পূৰ্বাঞ্চলত ৫ হাজাৰ পাচশৰো অধিক আয়ুষ্মান আৰোগ্য মন্দিৰ স্থাপনৰ কথা উল্লেখ কৰি তেওঁ কয় যে আয়ুষ্মান আৰোগ্য মন্দিৰে ঔষধ অধিক সুলভ কৰি তুলিছে যাৰ ফলত ঔষধৰ ওপৰত গড় ব্যয় ২৫ শতাংশ হ্ৰাস পাইছে। প্ৰথমবাৰৰ বাবে তেঁওৰ চৰকাৰখন ক্ষমতালৈ অহাৰ সময়ত প্ৰতিষেধক প্ৰদানৰ দূৰৱস্থাৰ কথা চিন্তা কৰি প্ৰধানমন্ত্ৰীয়ে লাখ লাখ গৰ্ভৱতী মহিলা আৰু নৱজাতকক প্ৰতিষেধক প্ৰদান কৰিব পৰা মিছন ইন্দ্ৰধনুষৰ সফলতাৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে এই মিছনে কোৱিড-১৯ মহামাৰীৰ সময়ত বহুজনৰ জীৱন ৰক্ষা হোৱাত সহায় কৰিছে।

০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই আজি কৈছে যে **খেলো ইণ্ডিয়া অস্মিতা মহিলা লীগে** ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰা মহিলা খেলুৱৈৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰিছে। কেৰালাৰ থিৰুৱনন্তপুৰমত থকা ভাৰতীয় ক্ৰীড়া কৰ্তৃপক্ষৰ বিদ্যায়তনিক শাখা লক্ষ্মীবাঈ ৰাষ্ট্ৰীয় শাৰিৰীক শিক্ষা মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ কৰা ৩০০ খন বিচনাযুক্ত মহিলাৰ আৱাস উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। ড° মন্দাভিয়াই খেলুৱৈসকলক ক্ৰীড়াক কেৱল চৰকাৰী চাকৰিৰ পথ বুলি নাভাবিবলৈ আহ্বান জনাই কয় যে, তেওঁলোকে দেশৰ হৈ খেলিব লাগে, পদক লাভ কৰিব লাগে আৰু দেশৰ বাবে গৌৰৱ কঢ়িয়াই আনিব লাগে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পঞ্চপ্ৰাণৰ** ওপৰত আলোকপাত কৰি কয় যে, পদক লাভ কৰিলে কেৱল ব্যক্তি আৰু তেওঁলোকৰ আপোনজনেই নহয় সমগ্ৰ দেশেও এনে কৃতিত্বৰ বাবে গৌৰৱ কৰে। উল্লেখযোগ্য যে মন্ত্ৰীগৰাকীয়ে আজি উদ্বোধন কৰা মহিলাৰ আৱাসটো খেলো ইণ্ডিয়া সৃষ্টি আৰু আন্তঃগাথনি প্ৰকল্পৰ উন্নীতকৰণৰ অধীনত নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানৰ অংশ হিচাপে

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অলিম্পিক, এচিয়ান আৰু অন্যান্য আন্তৰাষ্ট্ৰীয় খেলত ভাৰতক প্ৰতিনিধিত্ব কৰা ক্ৰীড়াবিদসকলক সম্বৰ্ধনা জনায়।

ooo

সমাগত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৯৯ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। নাগপুৰ দক্ষিণ-পশ্চিম বিধানসভাৰ আসনৰ পৰা উপ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাডনাবিছে প্ৰতিদ্বন্দিতা কৰিব। আনহাতে, মহাৰাষ্ট্ৰ বিজেপিৰ মুৰববী চন্দ্ৰশেখৰ বাৱানাকুলে কামথিৰ পৰা প্ৰতিদ্বন্দিতা কৰিব। জামনেৰৰ পৰা মন্ত্ৰী গিৰিশ মহাজনে প্ৰতিদ্বন্দিতা কৰাৰ বিপৰীতে বল্লাৰপুৰ বিধানসভা সমষ্টিৰ পৰা সুধিৰ মুংগান্তিৱাৰে প্ৰতিদ্বন্দিতা কৰিব। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে প্ৰাৰ্থীসকলৰ নাম অনুমোদন জনাইছে। অহা মাহৰ ২০ তাৰিখে ২৮৮ জনীয়া মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচন একক পৰ্যায়ত অনুষ্ঠিত হ'ব আৰু ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooo

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কাইলৈ নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সূচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰিব। এই মঞ্চৰ জৰিয়তে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলে বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা সহজে লাভ কৰিব। এই পদক্ষেপৰ প্ৰাথমিক লক্ষ্য হৈছে - একক মঞ্চৰ জৰিয়তে সক্ৰিয়ভাৱে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ বাবে থকা সকলো সামাজিক সুৰক্ষা তথা কল্যাণমূলক আঁচনিৰ হিতাধিকাৰীৰ বিষয়ে তথ্য যুগুত কৰা। এই পদক্ষেপে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলক তেওঁলোকৰ বাবে থকা আঁচনিসমূহ সন্দৰ্ভত সজাগ কৰি তুলিব।

ooo

ঝাৰখণ্ডত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছৰে পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ৩ কোটি ১৫ লাখ টকাতকৈ অধিক মূল্যৰ অবৈধ সামগ্ৰী তথা নগদ ধন জব্দ কৰা হৈছে। মুখ্য নিৰ্বাচনী বিষয়া কে ৰৱি কুমাৰে সদৰি কৰা অনুসৰি নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে বলবৎ কৰিবৰ বাবে নিৰ্দেশনা জাৰি কৰা হৈছে। আযোগৰ নিৰ্দেশনা অনুসৰি নিৰ্বাচনৰ সময়ছোৱাত কোনো লোকে  সৰ্বাধিক ৫০ হাজাৰ টকা লগত ৰাখিব পাৰিব। এই ধনৰ পৰিমাণ ৫০ হাজাৰতকৈ অধিক আৰু ১০ লাখতকৈ কম হলে ধনখিনি জব্দ কৰা হ'ব। জিলা আয়ুক্তৰ নেতৃত্বত গঠিত এখন সমিতিক এই সম্পৰ্কীয় অনুসন্ধানৰ দায়িত্ব প্ৰদান কৰা হৈছে। আনহাতে, ১০ লাখতকৈ অধিক ধন জব্দ হ'লে এই ধনখিনি পৰৱৰ্তী অনুসন্ধানৰ বাবে আয়কৰ বিভাগৰ হাতত অৰ্পন কৰা হ'ব।

ooo

ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি কিছুসময়ৰ পাছত নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব।  দক্ষিণ আফ্ৰিকা আৰু নিউজিলেণ্ড ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত প্ৰতিযোগতাৰ ইতিহাসত ২০১৬ চনৰে পৰা প্ৰথমবাৰৰ বাবে নতুন দল চেম্পিয়ন হোৱাটো নিশ্চিত হৈ পৰিছে।

ooo

হকীত ভাৰতৰ পুৰুষৰ কণিষ্ঠ দলে মালয়েছিয়াত অনুষ্ঠিত জোহৰ কাপ প্ৰতিযোগিতাত আজি গ্ৰুপ পৰ্যায়ৰ এখন খেলত গ্ৰেট ব্ৰিটেইনক ৬-৪ গলত পৰাস্ত কৰে। দিলৰাজ সিং আৰু চৰ্দা নন্দ তিৱাৰীয়ে দুটাকৈ গল কৰাৰ

বিপৰীতে মহম্মদ কোনাইন দাদ আৰু মনমিত সিঙে বাকী কেইটা গল দিয়ে। গ্ৰেট ব্ৰিটেইনৰ হৈ ৰবী পেনৰোজ আৰু মাইকেল ৰয়দেনে দুটাকৈ গল দিয়ে। উল্লেখযোগ্য যে প্ৰতিযোগিতাত কালি প্ৰথমখন খেলত ভাৰতে জাপানক পৰাস্ত কৰাৰ পাছত আজি দ্বিতীয়টো বিজয় সাব্যস্ত কৰে।

০০০

সমাপ্ত